# “অসম গণিত শিক্ষায়তন”ৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন


১৯৮৬ চনৰ জুলাই মাহত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা আয়োজিত, গণিতৰ বিষয়-শিক্ষকসকলৰ বাবে গুৱাহাটীৰ তেতিয়াৰ কটন মহাবিদ্যালয়ত অনুষ্ঠিত এখন কৰ্মশালাত, অসমত গণিত শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু গাণিতিক মেধাৰ অন্বেষণ কৰি গণিত শিক্ষা জনপ্ৰিয়কৰণৰ বাবে এখন মঞ্চ গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই সিদ্ধান্ত মৰ্মে কৰ্মশালাৰ অংশগ্ৰহণকাৰীসকলৰ সৈতে অনুষ্ঠিত সভাত ১৯৮৬ চনৰ ১৮ জুলাই তাৰিখে অসম গণিত শিক্ষায়তনৰ জন্ম হৈছিল। যোৱা ৩৪ বছৰে অসম গণিত শিক্ষায়তনে অসমত গণিত শিক্ষা জনপ্ৰিয়কৰণ আৰু মেধাৰ অন্বেষণৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত বিভিন্ন ধৰণৰ গণিত অলিম্পিয়াড, ৰাধাচৰণ গুপ্তা অনুদানমূলক বক্তৃতা, প্ৰতিষ্ঠা দিৱসৰ বক্তৃতা, ৰাষ্ট্ৰীয় গণিত দিৱসৰ বক্তৃতা, অসম গণিত শিক্ষায়তনৰ মুখপত্ৰ “গণিত বিকাশ”, আৰু জনপ্ৰিয় গ্ৰন্থ প্ৰকাশ, গৱেষণামূলক আলোচনী “Journal of Assam Academy of Mathematics” প্ৰকাশ, তাৰ ওপৰিও ৰচনা প্ৰতিযোগিতা, গণিতৰ কুইজ প্ৰতিযোগিতা আৰু গণিতৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি আহিছে। এই কাৰ্যসূচীসমূহৰ সফল ৰূপায়নৰ বাবে অলিম্পিয়াড পৰীক্ষাৰ ৪৬ টা কেন্দ্ৰ আৰু শিক্ষায়তনৰ শাখাসমূহে আগভাগ লৈ আহিছে। তাৰ বাবে এই চেগতে আমি কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা সকলো শাখা আৰু অলিম্পিয়াড কেন্দ্ৰসমূহলৈ ধন্যবাদ আৰু শলাগ জ্ঞাপন কৰিলোঁ।

গণিত শিক্ষাৰ জনপ্ৰিয়কৰণৰ এই কাৰ্যসূচীসমূহৰ সফল ৰূপায়নৰ বাবে মুখ্যতঃ অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়লৈ আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। যোৱা মাৰ্চ মাহৰ পৰা কোভিদ-১৯ ৰ বাবে সমগ্ৰ বিশ্বতেই এক উলম্ব প্ৰভাৱ পৰিছে। তাৰ বাবে যোৱা ২১ আৰু ২২ মাৰ্চ তাৰিখে লখিমপুৰ জিলাৰ এল.টি.কে. মহাবিদ্যালয়ত অসম গণিত শিক্ষায়তনৰ ৩৪ সংখ্যাক দ্বি-বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচীও অনিৰ্দিষ্ট কালৰ বাবে পিছুৱাই দিবলগীয়া হৈছে। অধিৱেশনৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হোৱাৰ পিছত কাৰ্যসূচী বাতিল কৰিব লগা পৰিস্থিতিয়ে শিক্ষায়তনৰ সকলো সদস্যৰে মনত দুখ দিলে। পৰৱৰ্তী সময়ত পৰিস্থিতি উন্নত হ'লে আমি অধিৱেশনখন অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিম।

কোভিদ-১৯ ৰ অভূতপূৰ্ব পৰিস্থিতিৰ বাবে লকডাউন ঘোষণা কৰাৰ আগে আগে আৰু তাৰ পৰৱৰ্তী সময়ত সম্পন্ন কৰা অসম গণিত শিক্ষায়তনৰ কাম-কাজসমূহৰ চমু বিৱৰণ–

১) যোৱা ১৪ মাৰ্চ তাৰিখে দৰং মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছিল আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস। উল্লেখযোগ্য যে এই বছৰৰ পৰাই ১৪ মাৰ্চ তাৰিখটো, যিটোক আগতে “পাই দিৱস” হিচাপে পালন কৰা হৈছিল, এই বছৰৰ পৰা সেই দিনটোত আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস হিচাপে সমগ্ৰ বিশ্বতে পালন কৰা হৈছে। আমি অসম গণিত শিক্ষায়তন আৰু Mathematics Teachers Association (India) এ শোণিতপুৰ জিলা শাখা আৰু দৰং মহাবিদ্যালয়ৰ উদ্যোগত দিনযোৱা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰোঁ। ৰাতিপুৱা গণিত বিষয়ক প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীযুত প্ৰভাত চন্দ্ৰ দাসে। তাৰ পিছতে গণিতৰ কুইজ প্ৰতিযোগিতা আৰম্ভ কৰা হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপকূল শৰ্মা আৰু ড° বিপুল কুমাৰ শৰ্মাই কুইজ-মাষ্টাৰ হিচাপে অংশগ্ৰহণ কৰে। আবেলি মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভা উদ্বোধন কৰে দৰং মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক ড° অখিল কুমাৰ ডেকাদেৱে। মুকলি সভাত সভাপতিত্ব কৰে অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলাৰ সভাপতি ড° ৰামচৰণ ডেকাদেৱে। আদৰণি ভাষণ প্ৰদান কৰে দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়শংকৰ হাজৰিকাদেৱে। মুকলি সভাৰ সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ উপ-সঞ্চালক শ্ৰীযুতা চিন্ময়ী তালুকদাৰ মহোদয়াই। আন্তঃৰাষ্ট্ৰীয় গণিত দিৱসৰ বক্তৃতা প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ড° নয়নদীপ ডেকা বৰুৱাদেৱে। এই অনুষ্ঠানত প্ৰদৰ্শনী,

কুইজ, আৰু ৰচনা প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। তাৰ পিছতে Mathematics Teachers Association (India) ৰ হৈ আইআইটি গুৱাহাটীৰ গণিত বিভাগৰ অধ্যাপক ড° ভৱ কুমাৰ শৰ্মাদেৱে প্ৰেৰণ কৰা শুভেচ্ছামূলক বাৰ্তা পাঠ কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিপুল কুমাৰ শৰ্মাদেৱে। শেষত অসম গণিত শিক্ষায়তনৰ সাধাৰণ সম্পাদক ড° জ্ঞানজ্যোতি শৰ্মাই গণিত জনপ্ৰিয়কৰণৰ সম্পৰ্কে বক্তৃতা আগবঢ়ায়। অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ শাখাৰ সাধাৰণ সম্পাদক অনামিকা গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়।





২) যোৱা ১৮জুন তাৰিখে অসম গণিত শিক্ষায়তনৰ ৩৪ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাধাচৰণ গুপ্তা অনুদানমূলক বক্তৃতা প্ৰদান কৰে লখিমপুৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° মুকুন্দ ৰাজবংশীদেৱে। এই বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয় উত্তৰ লখিমপুৰ শাখা আৰু এল.টি.কে মহাবিদ্যালয়ৰ উদ্যোগত। এই ৱেবিনাৰ অনুষ্ঠানখন পৰিচালনা কৰে এল.টি.কে. মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াদেৱে আৰু ৰাধাচৰণ গুপ্তাৰ পৰিচয় দাঙি ধৰে ড° প্ৰবীণ দাসদেৱে।

৩) যোৱা ১৬ আগষ্ট তাৰিখে গণিত অলিম্পিয়াড পৰীক্ষা অনুস্থিত কৰা হয়। এই পৰীক্ষা প্ৰথমবাৰৰ বাবে অনলাইন পদ্ধতিৰে অনুষ্ঠিত কৰা হয়। এই পৰীক্ষাত ৪৫৭ জন ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল। আমিনগাঁৱৰ সৰলা বিৰলা জ্ঞানজ্যোতিৰ ছাত্ৰী শ্ৰীমতী সুনয়না পাতিৰে এই পৰীক্ষাত শ্ৰেষ্ঠ স্থান দখল কৰে। এই পৰীক্ষা পৰিচালনা কৰা বাবে ড° দেৱাশিষ শৰ্মা আৰু ড° আশিষ পালক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

৪) জৱাহৰলাল নেহৰু মহাবিদ্যালয় আৰু অসম গণিত শিক্ষায়তনৰ উদ্যোগত এখন অনলাইন গণিত ফেষ্টিভেল যোৱা ২৫ আগষ্ট তাৰিখৰ পৰা ২৯ আগষ্ট তাৰিখলৈ অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত প্ৰায় ২৫০ জন অংশগ্ৰহণকাৰীয়ে যোগদান কৰে। পাঁচদিনীয়া এই কাৰ্যসূচীত অসম তথা ভাৰতৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰে। এই অনুষ্ঠানত এখন কুইজ প্ৰতিযোগিতা আৰু এখন ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। ইয়াত ইণ্ডোনেচিয়াৰ গণিতজ্ঞ Hendra Gunawan, কানাডাৰ গণিতজ্ঞ James F. Peters আৰু ভাৰত বিভিন্ন শিক্ষানুষ্ঠানৰ গণিতজ্ঞসকলে বক্তৃতা প্ৰদান কৰে।

৫) যোৱা ১২ চেপ্টেম্বৰ তাৰিখে কাৰ্যনিৰ্বাহী কমিটিৰ এখন সভা "গুগল মিট"ৰ সহায়ত অনুষ্ঠিত কৰা হয়। এই সভাত সভাপতিত্ব কৰে অসম গণিত শিক্ষায়তনৰ উপ-সভাপতি ড° ৰীতা চৌধুৰী মহোদয়াই।

৬) যোৱা ২০ চেপ্টেম্বৰ তাৰিখে অসম গণিত শিক্ষায়তনৰ এখন Extended Executive Committee সভা গুগল মিটৰ জৰিয়তে অনুষ্ঠিত কৰা হয়। এই সভাত কাৰ্যনিৰ্বাহী সদস্য, শাখা সভাপতি, অলিম্পিয়াড পৰীক্ষা-কেন্দ্ৰৰ বিষয়ববীয়াসকলক আমন্ত্ৰণ জনোৱা হয়। সভাত অনলাইন অলিম্পিয়াড, অনলাইন গণিত বিকাশ, আৰু পৰৱৰ্তী অধিৱেশনৰ সম্পৰ্কে আলোচনা কৰা হয়। এই সভাত সভাপতিত্ব কৰে শিক্ষায়তনৰ সভাপতি ড° ৰামচন্দ্ৰ ডেকাদেৱে।




যোৱা অক্টোবৰ মাহত অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা ৬০০০০০ টকাৰ (ছয় লাখ টকাৰ) এটা অনুদান লাভ কৰা হয়। এই অনুদানৰ বাবে আমি অতি আনন্দিত হৈছোঁ আৰু কৃতজ্ঞতাপূৰ্ণ ধন্যবাদ জ্ঞাপন কৰিলোঁ। চৰকাৰৰ এই অনুদান অবিহনে অসম গণিত শিক্ষায়তনৰ এই বৃহৎ কাৰ্যসূচী সম্পাদন কৰাটো প্ৰায় অসম্ভৱ। তাৰ ওপৰিও গণিত অলিম্পিয়াডৰ পৰীক্ষাসমূহ আৰু বক্তৃতা অনুষ্ঠানসমূহ অনুস্থিত কৰিবলৈ অনুমতি প্ৰদান কৰা অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বীসকললৈ শিক্ষায়তনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আশাকৰোঁ সকলোৰে সহায়-সহযোগিতাই পৰৱৰ্তী সময়ত অসমত গণিত শিক্ষাৰ ভেটি সুদৃঢ় কৰিব। ধন্যবাদেৰে–

৭) যোৱা ১০ অক্টোবৰ তাৰিখে গণিত বিকাশৰ ৬৫ আৰু ৬৬ তম সংখ্যা দুটা একেলগে ড° প্ৰবীণ দাসদেৱৰ সম্পাদনাত প্ৰকাশ কৰা হয়।

**ড° জ্ঞানজ্যোতি শৰ্মা**

*সাধাৰণ সম্পাদক, অসম গণিত শিক্ষায়তন*

